13 NOV 2001

আমাৰ অসম 10 JAN 2002

## মানাহ সংৰক্ষণ সম্পৰ্কত সজাগতা সভা

বৰপেটাৰ প্ৰতিনিধি, ৯ জানুৱাৰী ঃ বৰপেটা জিলাৰ কাটাবাৰি খণ্ড বন বিষয়াৰ কাৰ্যালয় প্ৰাংগণত জিলাখনৰ পৰিৱেশ সংৰক্ষণত নিয়োজিত আগশাৰীৰ সংগঠন গ্ৰীণ মানাহ'ৰ পৌৰোহিত্যত মানাহ ৰাষ্ট্ৰীয় উদ্যান সংৰক্ষণ সম্পৰ্কত অলপতে এখন ৰাজহুৱা সজাগতা সভা অনুষ্ঠিত হৈ যায়। গ্ৰীণ মানাহৰ সচিব টিকেন্দ্ৰজিৎ দাসৰ সঞ্চালনাত অনুষ্ঠিত সজাগতা সভাখনত অঞ্চলটোৰ ৰাজাবিল, কাটাবাৰ, গোহাঁইৰ ভিটা, ডাঙৰাইবাৰী, ধুতুলাগা, লাহৰিপাৰা, লাংদাংপাৰা, কাহিবাৰী, পানিছিগুৰি, মায়ংপাৰা আদি গাঁৱৰ দুকুৰিৰো অধিক লোকে অংশগ্ৰহণ কৰি মানাহ অভয়াৰণ্য সংৰক্ষণত আগভাগ লোৱাৰ বাবে সহমত পোষণ কৰে।

সভাত গ্ৰীণ মানাহৰ প্ৰধান সচিব নিৰঞ্জন বৰ্মনৰ উপৰি ফণীন্দ্ৰ কুমাৰ বসুমতাৰী, ধনজিৎ দাস, চবিন বসুমতাৰী, কুমাৰ ব্ৰহ্ম, সঞ্জীৎ দাস আৰু সুতাষ তাঁতিয়ে ভাষণ দি অঞ্চলটোৰ বাইজক মানাহৰ ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত স্বতঃস্ফূৰ্তভাৱে আগভাগ ল'বলৈ আহ্বান জনায়।



নলবাৰীত আৰক্ষীয়ে চলোৱা তাণ্ডৱৰ প্ৰতিবাদত অলপতে অনুষ্ঠিত কৰা প্ৰতিবাদী নাগৰিক সভাত বিশিষ্ট বুদ্ধিজীৱী শশী শৰ্মাই ভাষণ দিয়া (প্ৰথম), আনখনত পোটো প্ৰত্যাহাৰৰ দাবীত আৰু চৰকাৰী আতিশয্যৰ প্ৰতিবাদত আছুৰ আহ্বানত পালন কৰা ধৰ্মঘটৰ এক দৃশ্য। পোহৰ ছবি ঃ নিজা প্ৰতিনিধি, নলবাৰী

# বৰপেটাৰ বাঁহবাৰীত পৰিৱেশ সংৰক্ষণ কৰ্মশালা

**নিজা প্ৰতিবেদক, আনন্দবজাৰ, ১২ নৱেম্বৰ ঃ** বৰপেটা জিলাৰ মানাহ অভয়াৰণ্যৰ বাঁহবাৰী ৰেঞ্জৰ অন্তৰ্গত প্ৰকৃতি প্ৰেমী এন জিও 'গ্ৰীণ মানাস'ৰ উদ্যোগত বাঁহবাৰী পৰ্যটন নিবাসত মানাহ অভয়াৰণ্যৰ সম্পদ পৰিৱেশ সংৰক্ষণৰ ওপৰত অলপতে এদিনীয়া কৰ্মশালা এখনি সফলতাৰে সম্পন্ন হৈ যায়। কৰ্মশালাত বাঁহবাৰী ৰেঞ্জৰ অন্তৰ্গত মানাহ বন্ধু দলৰ কৰ্মী, দাঁতি কাষৰীয়া গাঁৱৰ সচেতন নাগৰিক, শিক্ষক, গাঁওবুঢ়া সকল সমন্বিতে 'গ্ৰীণ মানাহ'ৰ সমূহ সদস্যই অংশ গ্ৰহণ কৰে। 'মানাসৰ দাঁতি কাষৰীয়া অঞ্চলৰ পৰিৱেশ সংৰক্ষণ শিক্ষা আঁচনি'ৰ অধীনত অনুষ্ঠিত কৰ্মশালাত মানাহৰ সমস্যা চিনাক্তকৰণ, সম্পদ সমূহ সংৰক্ষণ আৰু মানাহ সম্পৰ্কে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ হকে বিভিন্ন প্ৰশ্ন উত্থাপিত হয়। বিশিষ্ট শিক্ষাবিদ, সাহিত্যসেৱী প্ৰাক্তন জিলা ৱাইল্ড লাইফ ৱাৰ্ডেন ধৰণীধৰ ঔৱাৰীৰ সঞ্চালনাত অনুষ্ঠিত কৰ্মশালাত প্ৰকৃতি প্ৰেমী সংগঠন 'অৰণ্যক'ৰ সচিব প্ৰধান ডঃ বিভাব তালুকদাৰ, নল গাহৰি সংৰক্ষণ আঁচনিৰ সঞ্চালক ডঃ গৌতম নাৰায়ণ, উত্তৰ-পূব ভাৰত পৰিৱেশ সংৰক্ষণ কেন্দ্ৰৰ সচিবদ্বয় ক্ৰমে সৌমেন দে আৰু প্ৰদীপ বড়ো, গ্ৰীণ হাৰ্ট নেচাৰ্চ ক্লাবৰ সঞ্চালক বাভী দেৰ উপৰিও বৰপেটাৰ এভাৰগ্ৰীণৰ সদস্যইও অংশ গ্ৰহণ কৰে। প্ৰকৃতি প্ৰেমী সংগঠনৰ উক্ত কৰ্মী সকলে মানাহৰ সম্পদ, পৰিৱেশ সংৰক্ষণত গুৰুত্ব আৰোপ কৰি বক্তব্য প্ৰদান কৰে। পাঁচটা দলত বিভক্ত উক্ত কৰ্মশালাত প্ৰতিটো দলৰ প্ৰতিবেদনৰ ভিত্তিত পাঁচটা মূল সমস্যা ক্ৰমে - 'মানাহত পৰিৱেশ সংৰক্ষণৰ অভাৱ, মানাহৰ আভ্যন্তৰ তথা দাঁতি কাষৰীয়া গাঁও সমূহত আন্তঃগাথনি উন্নয়নৰ অভাৱ, বন বিভাগৰ সৈতে জনসাধাৰণৰ সু-সমন্বয়ৰ অভাৱ, আৰ্থ সামাজিক উন্নয়নৰ অভাৱ, চৰকাৰ (বনবিভাগ) এন জিও আৰু জনসাধাৰণৰ মাজত বৃহৎ ব্যৱধান, মানাহ অভয়াৰণ্যৰ প্ৰতি চৰকাৰী বিষয়া-কৰ্মচাৰীৰ অনিহাৰ লগতে অবাধ লুণ্ঠনৰ জৰিয়তে ধন ঘটাৰ মানসিকতা আৰু দেশৰ বাহিৰ-ভিতৰত প্ৰেছ মেডিয়া যোগে প্ৰচাৰৰ অভাৱ' চিনাক্তকৰণ কৰা হয়।

কৰ্মশালাই চিনাক্তকৰণ কৰাৰ উপৰি বিষয় কেইটাৰ সমাধান সূত্ৰ উদ্ভাৱনৰ ওপৰত গুৰুত্ব আৰোপ কৰি জৰিপৰ জৰিয়তে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিবলৈ প্ৰকৃতি প্ৰেমী সংগঠন গ্ৰীণ মানাহক দায়িত্ব দিয়ে। পৰৱৰ্তী কৰ্মশালাখন ডিচেম্বৰ মাহৰ ভিতৰতেই অনুষ্ঠিত কৰণৰ দায়িত্বও গ্ৰীণ মানাসক অৰ্পণ কৰে।

আজিৰ অসম, ১৩ নৱেম্বৰ ২০০১